# REGIONAL NEWS UNIT

## AKASHVANI : GUWAHATI

0000000000

**Date :** 08-03-2025

**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

১।	দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো বিস্তৃত কাৰ্যসূচীৰে নাৰী দিৱস উদ্‌যাপন।

২।	দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুজৰাটত লাখপতি দিদি সন্মিলনত অংশগ্ৰহণ।

৩।	ৰাজ্যখনত হ'বলগীয়া পৰৱৰ্তী নিৰ্বাচনসমূহক অসম গণ পৰিষদৰ সৈতে মিত্ৰতা অক্ষুন্ন ৰখাৰ বাবে শাসকীয় দল বিজেপিৰ দৃঢ় প্ৰতিশ্ৰুতি।

৪।	সমগ্ৰ দেশৰ লগতে আজি অসমৰো বিভিন্ন জিলা সদৰত অনুষ্ঠিত লোক আদালতত কেইবাহাজাৰো গোচৰ নিষ্পত্তি।

*আৰু*

৫।	কাইলৈ ডুবাই আন্তৰ্জাতিক ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ বাবে সমগ্ৰ দেশ ক্ৰিকেট জ্বৰত আক্ৰান্ত।

ooo

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে– সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই উদ্দেশ্যে প্ৰতিগৰাকী মহিলাৰ সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন অঞ্চলত এই দিৱস উপলক্ষে আজি  ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ পলটন বজাৰত অৱস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কাৰ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। এই কাৰ্যসূচীত অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহাইৰ লগতে ল'ন বল খেলুৱৈ নয়নমণি শইকীয়াও উপস্থিত থাকে। সমাজত নাৰীৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি লাভলীনা বৰগোঁহাইয়ে এইদৰে কয়–

**-ভইছ কাষ্ট-**

গুৱাহাটী মহানগৰীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে আজি মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজন কৰা এটা অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসৰ স্মৃতিত সমাজকৰ্মী তথা লেখিকা জুনু বৰাক এই বছৰৰ ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

নার্বাডৰ উদ্যোগত আৰু মঙলদৈ বে-চৰকাৰী সংস্থা ৰুৰেল অৰ্গেনাইজেচন ফৰ অলৰাউণ্ড ডেভেলপণ্টেমেণ্ট চমুকৈ ৰ'ড'ৰ সহযোগত মঙলদৈ ইয়ুথ ক্লাবত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত দৰঙৰ অতিৰিক্ত আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

মৰিগাঁও জিলাতো একাধিক সংগঠন আৰু মৰিগাঁও জিলা নাথ যোগী সন্মিলনৰ উদ্যোগত জিলা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। অনুষ্ঠানত নাৰী শিক্ষা আৰু বাল্যবিবাহ শীৰ্ষক এখন আলোচনা চক্ৰও অনুষ্ঠিত হয়।

ধেমাজি মহাবিদ্যালয়ত মহিলা অধ্যয়ন কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় সেৱা কেন্দ্ৰৰ উদ্যোগত আজি ধেমাজি জামুগুৰি মজলীয়া বিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস অনুষ্ঠিত হয়। অঞ্চলটোৰ কাংকান আত্মসহায়ক গোটৰ সহযোগত অনুষ্ঠিত এই দিৱসত ধেমাজি মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী কুমুদ বৰাই নাৰী দিৱস উদযাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে।

কাৰ্বি আংলং জিলাতো বিভিন্ন কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। কাৰ্বি আংলং জিলা মহিলা সমিতি আৰু জিলা কুষ্ঠ ৰোগ কাৰ্যালয়ৰ সহযোগত ডিফুত অনুষ্ঠিত আন্তৰ্জাতিক নাৰী দিৱসত নাৰীৰ অধিকাৰ, স্বাধীনতা আৰু নিৰাপত্তা শীৰ্ষক আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

তেজপুৰ মহাবিদ্যালয়ৰ মহিলা কোষ আৰু আই কিউ এ চিৰ সহযোগত তেজপুৰত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়।

বৰপেটা জিলাতো আজি বিভিন্ন অনুষ্ঠান তথা মহিলা সংগঠনৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। এই উপলক্ষে বৰপেটা সাহিত্য সভা ভৱনৰ পৰা উলিওৱা এটা সমদলে বৰপেটা চহৰৰ কেইবাটাও মূল পথ পৰিভ্ৰমণ কৰে। জিলাখনৰ কলগাছিয়া আৰু সৰভোগতো এই দিৱস উদযাপন কৰা হয়।

লখিমপুৰ জিলাৰ ঘূনাখুঁতি আঞ্চলিক মিচিং ছাত্ৰ সংগঠন আৰু মহিলা আত্মসহায়ক গোটৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত নাৰীৰ সাংবিধানিক অধিকাৰ, নাৰী সুৰক্ষা, আত্মনিৰ্ভৰশীলতা আদি বিষয় সামৰি এখন সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়।

গোৱালপাৰা জিলাতো সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু গোৱালপাৰাৰ সখী একক অৱস্থান কেন্দ্ৰৰ সহযোগত গোৱালপাৰা চহৰত নাৰী দিৱস পালন কৰা হয়। এই অনুষ্ঠানত সমাজ কল্যাণ বিভাগৰ বিষয়াসকলৰ লগতে সখী একক অৱস্থান কেন্দ্ৰৰ বিষয়ববীয়াসকলো উপস্থিত থাকে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ বিষয়ে আমাৰ বিভিন্ন জিলাৰ সংবাদ দাতাসকলে পঠিওৱা বাতৰি আহি আছে।

০০০

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰিছে। সেই অনুসৰি কালি মাজনিশাৰে পৰা আজি সমগ্ৰ দিনটোৰ হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰি মহিলা পৰিবেশকসকলৰ দ্বাৰা পৰিবেশন কৰা হয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখন সভা আয়োজন কৰা হয়। এই সভাত মহিলা অনুষ্ঠান পৰিবেশক, বাতৰি পৰিবেশক তথা মহিলা কৰ্মচাৰীসকলক কেন্দ্ৰটোৰ পুৰুষ সহকৰ্মীসকলে একোপাহ গোলাপ ফুলেৰে আদৰণি জনায়। অনুষ্ঠানত বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ জয়শ্ৰী

বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰববী অধ্যাপিকা ড০ অকুণ্ঠিতা বৰঠাকুৰ উপস্থিত থাকে। লেখিকা তথা আকাশবাণী গুৱাহাটীৰ শ্ৰোতা বকুলী বৈশ্য আৰু সবিতা কলিতাও এই অনুষ্ঠানত উপস্থিত থাকি আন্তৰ্জাতিক নাৰী দিৱসত নিজৰ অনুভৱ ব্যক্ত কৰে। কেন্দ্ৰটোৰ অনুষ্ঠানসমূহৰ মুৰববী কৰ্ডলীন থেংকিউৱে আদৰণি ভাষণেৰে সকলোকে শুভেচ্ছা জনায়।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰইও আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি **নাৰী অধিকাৰ আৰু সৱলীকৰণ** সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিছে। ডিব্ৰুগড় কেন্দ্ৰই আজি পুৱা চাৰে সাত বজাৰ পৰা মহিলা বিষয়ক আলোচনা প্ৰচাৰ কৰাৰ লগতে নিশা দহ বজালৈকে বিভিন্ন অনুষ্ঠান প্ৰচাৰৰ ব্যৱস্থা কৰিছে।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০

প্ৰতিবছৰে আজিৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ নাৰীৰ নিৰাপত্তা, অধিকাৰ আৰু মৰ্যাদা সুনিশ্চিত কৰাৰ বাবে বিশ্বৰ বিভিন্ন দেশত বহু আইন প্ৰণয়ন কৰা হ'ল, বহু ব্যৱস্থা গ্ৰহণ কৰা হ'ল, বহু আলোচনা-বিলোচনা অনুষ্ঠিত হ'ল। পূৰ্বৰ তুলনাত অৱস্থাৰ উন্নতি নিশ্চয় হৈছে। কিন্তু এতিয়াও এগৰাকী নাৰীয়ে ঘৰৰ বাহিৰত দিনটোৰ ২৪ ঘণ্টাই নিৰাপদ অনুভৱ কৰে নে ? এই বিষয়ে অসম মহিলা আয়োগৰ সদস্যা তথা বিশিষ্টা সংগীত শিল্পী ববিতা শৰ্মাই আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত এই অভিমত ব্যক্ত কৰে।

**-ভইচ কাষ্ট- (ববিতা শৰ্মা)**

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহিলাসকলৰ জীৱন উন্নত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰি বিজেপি চৰকাৰ মহিলা সৱলীকৰণৰ প্ৰতি উৎসৰ্গিত বুলি মন্তব্য কৰে। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে গুজৰাটৰ নৱচাৰীত আয়োজিত **লাখপতি দিদি** সন্মিলনত অংশ লৈ তেওঁ কয় যে ভাৰতে মহিলা নেতৃত্বাধীন উন্নয়নৰ দিশত আগবাঢ়িছে। চৰকাৰে প্ৰতিটো দিশত মহিলাৰ মৰ্যদা আৰু উন্নয়নৰ বাবে গুৰুত্ব প্ৰদান কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। মহিলাসকলে বুনিয়াদি অনাময় ব্যৱস্থাৰ সুবিধা লাভ কৰাৰ উদ্দেশ্যে চৰকাৰে দেশত হাজাৰ হাজাৰ শৌচালয় নিৰ্মাণ কৰিছে বুলিও শ্ৰীমোদীয়ে কয়। তেওঁ কয়, যে ভাৰতীয় মহিলাসকলক এতিয়া বিশ্বজুৰি স্বীকৃতি দিয়া হৈছে। ভাৰতৰ উন্নয়নত মহিলা আত্মসহায়ক গোটসমূহৰ ভূমিকাক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অহা ৫ বছৰত চৰকাৰে মহিলা সৱলীকৰণৰ বাবে ৩ কোটি মহিলাক লাখপতি দিদিৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

বিগত বছৰসমূহত নাৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সফলতাসমূহ উল্লেখ কৰি তেওঁ কয়, যে মহিলাৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে নতুন অপৰাধ আইন বলবৎ কৰা হৈছে। বিগত বছৰসমূহত দেশৰ প্ৰতিটো

খণ্ডত মহিলাৰ অংশগ্ৰহণ উল্লেখযোগ্য বুলিও তেওঁ প্ৰকাশ কৰে। লাখপতি দিদি সন্মিলনত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ২৫ হাজাৰ আত্মসহায়ক গোটৰ মাজত ৪৫০ কোটি টকা সাহায্য বিতৰণ কৰে। ইয়াৰ লগতে ৫ গৰাকী লাখপতি দিদিক প্ৰমাণপত্ৰ প্ৰদান কৰে।

০০০০

গুৱাহাটী মহানগৰীৰ আমবাৰীত অৱস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত আজি বৰ্ধিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তসহ দলৰ ভালেকেইগৰাকী কৰ্মীয়ে এই সভাত অংশ লয়। অনাগত পঞ্চায়ত নিৰ্বাচন, স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। প্ৰথমবাৰৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলিপ শইকীয়াই অগপৰ কাৰ্যালয়ত উপস্থিত হৈ দলীয় নেতাকৰ্মীসকলৰ সৈতে সৌজন্যমূলক আলোচনাত মিলিত হয়। ভাষণ প্ৰসংগত তেওঁ অগপৰ সৈতে ভৱিষ্যতেও শাসকীয় দলটোৰ মিত্ৰতা অব্যাহত থাকিব বুলি তেওঁ প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত তেওঁ এইদৰে কয়।

**বাইট - দিলিপ শইকীয়া**

অতুল বৰাই ৰাজ্যৰ প্ৰতিটো প্ৰান্তত জনসংযোগ বৃদ্ধিৰ বাবে নিষ্ঠাৰে তৃণমূল পৰ্যায়ত ব্যাপক ৰূপত সাংগঠনিক কাম-কাজ আগুৱাই নিবলৈ বৈঠকত আহ্বান জনায়। কেশৱ মহন্তৰ অধ্যক্ষতাত স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে এখন সমিতি গঠন কৰাৰ লগতে দলটোৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ লক্ষ্যৰে ভালেকেইটা পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি অতুল বৰাই প্ৰকাশ কৰে। বৈঠকত নিৰ্বাচনৰ সময়ত তৃণমূল কৰ্মীসকলৰ কাৰ্যপন্থা সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০

চৰাইদেউ কৃষি বিভাগৰ অন্তৰ্গত কৃষি ব্যৱস্থাপনা প্ৰযুক্তি সংস্থাৰ উদ্যোগত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ কৃষক মেলা আয়োজন কৰা হৈছে। জিলাখনৰ জঁজলি পাঁচআলিৰ দিচাংপানী গাঁও পঞ্চায়ত ৰাজহুৱা খেলপথাৰত আয়োজিত এই কৃষক মেলাখন জিলা আয়ুক্ত ডাঃ নেহা যাদৱে মুকলি কৰে। থলুৱা কৃষকসকলক এখন বজাৰ দিয়াৰ উদ্দেশ্যে আয়োজন কৰা এই মেলাত চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আত্মসহায়ক গোট, কৃষক আৰু গ্ৰাম্য সংগঠনৰ দ্বাৰা মুঠ ২০খন বিপণীত থলুৱা উৎপাদিত সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হৈছে। উদ্যোক্তাসকলে কৃষক পঞ্জীয়ন, প্ৰশিক্ষণৰ লগতে কৃষি প্ৰযুক্তিৰ প্ৰদৰ্শন আৰু প্ৰগতিশীল কৃষকৰ লগতে কৃষি বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰিছে।

০০০০

চিৰাং জিলাৰ সদৰ কাজল গাঁৱত আজি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ অধীনত জিলা কৃষি বিভাগৰ উদ্যোগত কৃষক মেলা অনুষ্ঠিত হয়। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা কৃষক মেলাৰ আজি দ্বিতীয় দিনা এলানি কৃষি বিষয়ক প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই মেলাত কৃষি, মীন, ৰেচম আৰু পশুপালন তথা পশু চিকিৎসা বিভাগৰ সৈতে জড়িত শতাধিক কৃষকে অংশগ্ৰহণ কৰে। ভালেসংখ্যক কৃষক আৰু উদ্যমীয়ে এই মেলাত নিজৰ উৎপাদিত সামগ্ৰী প্ৰদৰ্শন কৰাৰ লগতে কৃষিজাত সামগ্ৰীসহ অন্যান্য সামগ্ৰী বিক্ৰী কৰে। মৌ পালন

আৰু ইয়াৰ ব্যৱসায় সন্দৰ্ভত আজি অনুষ্ঠিত প্ৰশিক্ষণত বিজনীৰ মৌ পালক জ্যোতি নাৰ্জাৰী সমল ব্যক্তিৰূপে উপস্থিত থাকে। এই কৃষি মেলা আৰু প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ কেইবাজনো ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰগতিশীল কৃষক আৰু উদ্যমীয়ে অংশগ্ৰহণ কৰে।

০০০০

দেশৰ ভিন্ন প্ৰান্তৰ লগতে আজি দক্ষিণ শালমাৰা মানকাচৰ জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। হাটশিঙিমাৰী জিলা আইন সেৱা প্ৰাধিকৰণে আয়োজন কৰা লোক আদালতৰ দ্বাৰা আজি জিলাখনত ১হেজাৰ ২৮৮টা অমীমাংসিত গোচৰৰ ভিতৰত ৬৭১টা গোচৰ নিষ্পত্তি কৰা হৈছে। ইয়াৰে অসম শক্তি বিতৰণ লিমিটেডৰ পৰা সৰ্বাধিক ৫৫২ গোচৰ মীমাংসা কৰা হৈছে। জিলাখনত এইবেলি লোক আদালতৰ জৰিয়তে এক কোটি ৪লাখ ২২ হাজাৰ ৯৯২ টকা সংৰক্ষণ কৰা হৈছে বুলি এখন সংবাদ মেলত জিলা আইন সেৱা প্ৰাধিকাৰী উচ্চবৰ্গৰ সহায়কে জানিবলৈ দিয়ে।

পশ্চিম কাৰ্বি আংলঙৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয় প্ৰাংগণতো আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। ২০১৯ চনত প্ৰতিষ্ঠা কৰা এই মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ত আজি পঞ্চমটো লোক আদালত অনুষ্ঠিত হয়। এই আদালতত ৫৫০ টা গোচৰৰ নিষ্পত্তিৰ বাবে জাননি প্ৰেৰণ কৰা হয় যদিও ৪৪ শতাংশ গোচৰৰ বিবাদে নিষ্পত্তি কৰা হয়। এই লোক আদালতত যান-বাহন সম্বন্ধীয় গোচৰ, বৈবাহিক সম্বন্ধীয় গোচৰ, বেংক ঋণ সম্বন্ধীয় গোচৰসমূহ সুন্দৰকৈ নিষ্পত্তি হোৱা বুলি জানিবলৈ পোৱা গৈছে।

বৰপেটা জিলাত আজি অনুষ্ঠিত লোক আদালতত বিভিন্ন বিষয়ৰ ৮৭২ টা গোচৰ নিষ্পত্তি কৰা হয়। নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা মুঠ গোচৰৰ সংখ্যা আছিল ৮হাজাৰ ২০১টা। আজি নিষ্পত্তি হোৱা গোচৰবোৰৰ জৰিয়তে ২ কোটি ৫০ লাখ ৬১ হাজাৰ ৭৬৩টকা জৰিমনাসহ অন্যান্য শিতানত ধন আদায় কৰা হয়।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাই ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হব। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে লাহোৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইপিনে যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ফাইনেল খেলখনক লৈ ভাৰতীয় দৰ্শকৰ মাজত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ